# নাট্যসম্ৰাট প্ৰফুল্ল বৰালৈ শ্ৰদ্ধাঞ্জলি




অনুষ্ঠানত ভাষণৰত সভাৰ প্ৰাক্তন সভাপতি তথা সম্প্ৰতি ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী

২০ নৱেম্বৰ, ২০২১ খ্ৰীষ্টাব্দ তাৰিখ শনিবাৰে নাট্যসম্ৰাট প্ৰফুল্ল বৰাৰ ১৬ সংখ্যক 'স্মৃতিদিৱস'টি দিনযোৰা কাৰ্যসূচীৰে সিপৰীয়া সাহিত্য সভাৰ উদ্যোগত আৰু বিশ্বনাথ জিলা সাহিত্য সভাৰ সহযোগত সিপৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হয়। দিনযোৰা কাৰ্যসূচীৰে আৰম্ভ হয় পুৱা ৭-০০ বজাত বৃক্ষ ৰোপণেৰে আৰু এই কাৰ্যসূচীত সিপৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দলমোহন ছেত্ৰীকে আদি কৰি এলানি বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। পুৱা ৮-০০ বজাত মূল তোৰণ উদ্বোধন কৰে সিপৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা কৃষ্ণা দেৱীয়ে আৰু ৮-৪৫ বজাত পতাকা উত্তোলন কৰে বিশ্বনাথ জিলা সাহিত্য সভাৰ সভাপতি গোলাপ বৰাই।

ইয়াৰ পিছত নাট্যসম্ৰাট প্ৰফুল্ল বৰাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অনুষ্ঠানত বিশ্বনাথ বিধান সভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি মতিকুমাৰ নেৱাৰ আৰু এলানি বিশিষ্ট ব্যক্তি যেনে ইন্দ্ৰ প্ৰসাদ শইকীয়া, কমল চন্দ্ৰ ভূঞা, মঃ জামালুদ্দিন শ্বেখ, ড° দিলীপ ভূঞা, হেমকৰ্ণ ছেত্ৰী, লাটুমণি হাজৰিকা আদিয়ে অংশগ্ৰহণ কৰে। ৯-৪৫ বজাত অনুষ্ঠিত জনগোষ্ঠীয় কৃষ্টি প্ৰদৰ্শন উদ্বোধন কৰে সভাৰ উপ-সভাপতি মৃণালিনী দেৱী আৰু বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে অৰুণাচল প্ৰদেশৰ বিশিষ্ট শিল্পী নাবাম তাৰাং।

ইয়াৰ পিছত চতিয়াৰ বিধায়ক তথা গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পৰ অধ্যক্ষ পদ্ম হাজৰিকাই আনুষ্ঠানিকভাৱে মূল মঞ্চ উদ্বোধন কৰাৰ পিছত মুকলি সভা আৰম্ভ হয়। সভাৰ মাননীয় সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিকমল হাজৰিকাই আৰু আদৰণি ভাষণ পাঠ কৰে আদৰণি সমিতিৰ সভাপতি প্ৰদীপ মেধিয়ে। এই মুকলি সভাত অৰুণাচল প্ৰদেশৰ প্ৰসিদ্ধ শিল্পী বেংগীয়া হেমন্ত আৰু ৰঙাপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন কলিতাই যথাক্ৰমে মুখ্য অতিথি আৰু নিৰ্দিষ্ট বক্তাৰ আসন শুৱনি কৰে। উদ্যোক্তাসকলে প্ৰকাশ কৰা স্মৰণিকাখন জামুগুৰিহাটৰ ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অজিত হাজৰিকাই উন্মোচন কৰে।

মুকলি সভাত আদৰণি সমিতিৰ আমন্ত্ৰণক্ৰমে অংশগ্ৰহণ কৰা আন কেইগৰাকীমান ব্যক্তি হ'ল অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, অসম নেপালী সাহিত্য সভাৰ কাৰ্যকৰী সভাপতি ড° চিন্তামণি শৰ্মা আৰু বিশ্বনাথ জিলাৰ আৰক্ষী অধীক্ষক শ্ৰীমতী লীনা দ'লৈ (সন্মানীয় অতিথি), বড়ো সাহিত্য সভাৰ সাধাৰণ সম্পাদক প্ৰশান্ত বড়ো, বিশিষ্ট অভিনেতা-নাট পৰিচালক অমৃত বৰগোহাঁই (বিশিষ্ট অতিথি), সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক প্ৰজ্ঞান ভূঞা, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ উপ-সভাপতি দিলীপ গজুৰেল আৰু সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থাৰ উপ-সভাপতি ছাইফুদ্দিন আহমেদ (আমন্ত্ৰিত অতিথি)।

সভাৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে আঁত ধৰে প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই আৰু তেওঁক সহযোগ কৰে আদৰণি সমিতিৰ মুখ্য সম্পাদক আবিদুৰ ৰহমানে।

০-০-০-০